- সাক্ষাৎকাৰ সূচীৰ ক্ষেত্রত প্রাথমিক চর্ত হৈছে ইয়াৰ প্রশ্নসমূহ সাক্ষাৎকাৰৰ সময়ৰ পৰিৱর্তে সাক্ষাৎকাৰ গ্রহণ কৰাৰ পূর্বেই লিখি ল'ব লাগে।
- এজন সপ্রতিভ গৱেষকে নিজৰ দক্ষতাৰে সাক্ষাৎকাৰ সূচীৰ প্রশ্নসমূহ স্বতঃস্ফূর্তভাৱে নতুনকৈ গঠন কৰি ল'ব পাৰে। এই কৌশলৰে তেওঁ উত্তৰদাতাসকলৰ পৰা অধিক তথ্য আহৰণ কৰিব পাৰে।
- সাক্ষাৎকাৰসূচী আৰু প্রশ্নসূচীৰ মাজত মৌলিক পার্থক্য হৈছে প্রশ্নাৱলী উত্ত ৰদাতাই নিজে পূৰণ কৰিব লাগে কিন্তু সাক্ষাৎকাৰ সূচী গৱেষক বা আঁত ধৰোতাই উত্তৰদাতাৰ হৈ পূৰণ কৰিব লগীয়া হয়।
- প্রশ্নসূচীয়ে এক বৃহৎ সংখ্যক, ভৌগলিকভাৱে বিস্তৃত, ভিন্নমুখী জনসংখ্যাৰ পৰা তথ্য আহৰণ কৰে আনহাতে সাক্ষাৎকাৰ সূচীৰ দ্বাৰা এক ক্ষুদ্র জনসংখ্যা যাৰ সৈতে গৱেষকে নিজে ব্যক্তিগতভাৱে মত বিনিময় কৰিব পাৰে তেওঁলোকৰ পৰা তথ্য উলিওৱা হয়।

৮.১০ অধিক জানিবলৈ

১) Ghose, B.N: Scientific Medhod and Social Research, Sterling Publishers, New Delhi, 1982

২) Goode,& Hatt: Method in Social Research, Macgraw Hill Books. Co. Delhi (1981)

৩) Kvale,S.,(1996) InterViews:An Introduction to Qualitative Research Interviewing.Sage.

৪) Rubin,H.J.,and Rubin,I.S., (2004) Qualitative Interviewing:The Art of Hearing Data.2nd Edition.Sage.

৫) Young, P.V.: Scientific Social Survey and Research, Pentice Hall of India Pvt. Ltd. New Delhi, 1984

৮.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ পূর্ব নির্ধাৰিত।

২নং প্রশ্নৰ উত্তৰ ঃ সংক্ষিপ্ত।

৩নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৪নং প্রশ্নৰ উত্তৰ ঃ সাক্ষাৎকাৰলওতা।

৫নং প্রশ্নৰ উত্তৰ ঃ নমনীয়।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক।